# Official Spokesperson's response to media queries regarding the situation in Afghanistan

August 16, 2021

# আফগানিস্তানৰ পৰিস্থিতিৰ সন্দৰ্ভত সংবাদ মাধ্যমে কৰা প্ৰশ্নৰ ওপৰত চৰকাৰী মুখপাত্ৰৰ প্ৰতিক্ৰিয়া

আগষ্ট 16, 2021

**আফগানিস্তানৰ পৰিস্থিতিৰ সন্দৰ্ভত কৰা সংবাদ মাধ্যমৰ প্ৰশ্নৰ প্ৰতিক্ৰিয়া হিচাপে, চৰকাৰী মুখপাত্ৰ শ্ৰী অৰিন্দম বাগচিয়ে কয়,**

1. "যোৱা কেইদিনত কাবুলত নিৰাপত্তা পৰিস্থিতিৰ গুৰুত্বপূৰ্ণভাৱে ক্ষতি হৈছে। এয়া দ্ৰুতগতিত সলনি হৈ আছে এই মুহূৰ্তত।

2. ভাৰত চৰকাৰে আফগানিস্তানৰ সকলো পৰিস্থিতিৰ ওপৰত চকু দি আছে। আমি দেশখনত থকা ভাৰতীয় নাগৰিকসকলৰ সুৰক্ষা আৰু নিৰাপত্তৰ বাবে পৰ্যায়বৃত্ত নিৰ্দেশাৱলী জাৰি কৰি আছোঁ, যাৰ ভিতৰত আছে তেওঁলোকক তৎক্ষণাৎ ভাৰতলৈ উভতি আহিবলৈ কৰা আহ্বান। আমি জৰুৰীকালিন যোগাযোগৰ নম্বৰ দিছোঁ আৰু লগতে সম্প্ৰদায়ৰ সদস্যসকললৈ সাহায্য আগবঢ়াইছোঁ। আমি জ্ঞাত যে এতিয়াও আফগানিস্তানত কিছুমান ভাৰতীয় আছে যিসকলে উভতি আহিব বিচাৰে আৰু আমি তেওঁলোকৰ সৈতে যোগাযোগত আছোঁ।

3. আমি অবিছিন্নভাৱে আফগান শিখ আৰু হিন্দু সম্প্ৰদায়ৰ প্ৰতিনিধিসকলৰ সৈতে যোগাযোগত আছোঁ। আমি আফগানিস্তান এৰিব বিচৰাসকলক ভাৰতলৈ প্ৰত্যৰ্পণ কৰাৰ ব্যৱস্থা কৰিম। ইয়াৰ লগতে বহু সংখ্যক আফগান আছে যি আমাৰ পাৰস্পৰিক উন্নয়ন, শিক্ষামূলক আৰু মানৱ পদক্ষেপৰ প্ৰচাৰত আমাৰ অংশীদাৰ। আমি তেওঁলোকৰ সৈতে থিয় দিম।

4. কাবুল বিমানবন্দৰৰ পৰা বাণিজ্যিক কাৰ্যকলাপ আজি বাতিল কৰা হৈছে। ইয়াৰ ফলত আমাৰ প্ৰত্যৰ্পণ প্ৰেচেষ্টাত ব্যাঘাত আনিছে। আমি ফ্লাইট পুনৰ আৰম্ভ হোৱাৰ বাবে অপেক্ষা কৰিছোঁ এই প্ৰক্ৰিয়া পুনৰ আৰম্ভ কৰাৰ বাবে।

5. আফগানিস্তানৰ পৰিস্থিতি উচ্চ স্তৰত অবিৰত ভিত্তিত নিৰীক্ষণ কৰি থকা হৈছে। চৰকাৰে সকলো পদক্ষেপ ল'ব আফগানিস্তানত থকা ভাৰতীয় নাগৰিক আৰু সম্পদৰ সুৰক্ষা আৰু নিৰাপত্তা নিশ্চিত কৰিবলৈ।"

**নতুন দিল্লী**
**আগষ্ট 16, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.